Total number of printed pages–4

**63(FY) SEM–4/MAJ/ASMMAJ2054**

**2025**

# ASSAMESE

(Major)

Paper : ASMMAJ2054

***(Introduction to Assamese Prose)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ১×৬=৬

(ক) অসমীয়া গদ্য সাহিত্যৰ জনক কোন?

*(i)* শংকৰদেৱ

*(ii)* মাধৱদেৱ

*(iii)* ভট্টদেৱ

*(iv)* দামোদৰদেৱ

(খ) শংকৰদেৱে লিখা অংকীয়া নাট দুখন হ'ল

*(i)* পাৰিজাত হৰণ, ৰামবিজয়

*(ii)* কথাগীতা, কথা ভাগৱত

*(iii)* ৰাজসূয়, নামঘোষা

*(iv)* গুৰু-দক্ষিণা, বৃষকেতু

(গ) 'ৰামৰ বন গমন' পাঠটিৰ মূল আধাৰ গ্ৰন্থ কি?

*(i)* ৰামায়ণৰ উত্তৰাকাণ্ড

*(ii)* ৰামায়ণৰ অৰণ্যকাণ্ড

*(iii)* ৰামায়ণৰ অযোধ্যাকাণ্ড

*(iv)* ৰামায়ণৰ আদিকাণ্ড

(ঘ) শ্ৰীকৃষ্ণই বজোৱা শংখটোৰ নাম কি?

*(i)* দেৱদত্ত

*(ii)* পাঞ্চজন্য

*(iii)* মৃদংগ

*(iv)* ডবা

(ঙ) প্ৰথম অসমীয়া চৰিতকাৰ জন হ'ল

*(i)* গোপাল আতা

*(ii)* ৰামচৰণ ঠাকুৰ

*(iii)* ভূষণ দ্বিজ

*(iv)* ৰাম সৰস্বতী



(চ) 'গুৰুচৰিত কথা' কোন শতিকাৰ সাহিত্য?

*(i)* ত্ৰয়োদশ শতিকা

*(ii)* চতুৰ্দশ শতিকা

*(iii)* পোন্ধৰশ শতিকা

*(iv)* অষ্টাদশ শতিকা

২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) দুটা অসমীয়া মন্ত্ৰৰ নাম উল্লেখ কৰা।

(খ) কুৰুক্ষেত্ৰ যুদ্ধৰ বিৱৰণ কোনে, কাৰ আগত দিছে।

(গ) চৰিত তোলা প্ৰথম কি?

(ঘ) "কৈকেয়ী বোলন্ত ঃ পূৰ্বে মোক বৰ দুই দিতে তুমি সত্য কৰিছা। এখন সোহি বৰ দুই দিয়া।" ইয়াত বৰ দুটা কি কি?

(ঙ) অক্ষৌহিনী মানে কি?

(চ) ভট্টদেৱে অসমীয়াত লিখা পুথিদুখন কি কি?

(ছ) 'মহাৰাজ নৰনাৰায়ণলৈ চুখাম্‌ফা স্বৰ্গদেৱৰ পত্ৰ' পাঠটিত উল্লেখ থকা উকিল দুজনৰ নাম কি কি?

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) মন্ত্ৰ সাহিত্যৰ শ্ৰেণীবিভাগ আৰু ইয়াৰ গদ্যশৈলী সম্পৰ্কে লিখা?

(খ) কথাগীতাৰ আধাৰত ভট্টদেৱৰ গদ্যশৈলীৰ ব্যাকৰণিক বৈশিষ্ট্য লিখা?

(গ) অংকীয়া নাটৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা আগবঢোৱা।

(ঘ) 'ৰামৰ বন গমন' পাঠৰ আধাৰত ৰামৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঙ) শংকৰদেৱৰ প্ৰথম তীৰ্থযাত্ৰাৰ বিষয়ে চমুকৈ লিখা।

(চ) অংকীয়া নাটৰ গদ্য সম্পৰ্কে এটি আলোচনা আগবঢোৱা।

(ছ) 'আৰো যদি আমাক মাৰে তথাপি আমি তাৰাক মাৰিতে ইচ্ছা নকৰি।' কোনে, কেতিয়া কি পৰিস্থিতিত এইদৰে কৈছিল, বিশদভাৱে লিখা।

(জ) 'চুখাম্‌কা স্বৰ্গদেৱলৈ মহাৰাজ নৰনাৰায়ণৰ পত্ৰ'ৰ কথাখিনি লিখা।

(ঝ) ব্যৱহাৰিক সাহিত্যৰ গদ্য সম্পৰ্কে লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×২=২৪

(ক) অসমীয়া গদ্য সাহিত্যৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) 'জ্ঞানৰ সাধন কৰ্মযোগ' অধ্যায়টোত ভট্টদেৱে উপস্থাপন কৰা কথাখিনি তোমাৰ নিজৰ ভাষাত বিশ্লেষণ কৰা।

(গ) ৰঘুনাথ মহন্তৰ সাহিত্য প্ৰতিভা আৰু গদ্যশৈলী সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'গুৰুচৰিত কথা'ত মধ্যযুগীয় অসমীয়া সমাজ জীৱনৰ ছবি কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

---